অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং : ১৪৯
উত্তৰ দানৰ তাৰিখ : ১৫/০৭/২০২৬
*বিষয়ঃ* সাৰ বিক্ৰী
বিধায়কৰ নাম : শ্ৰী ভূপেন ৰায়ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) খেতিয়ক সকলৰ মাজত সাৰ বিক্ৰী সম্পৰ্কত নতুন নিয়ম কৰিছে নেকি ? যদি কৰিছে, নিয়ম সমূহ জনাব।
(খ) এই ক্ষেত্ৰত ক্ষুদ্ৰ চাহ খেতিয়ক সকলক কেনে ধৰণে সাঙুৰি লৈছে অনুগ্ৰহ কৰি জনাব।

উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব :

ক) হয়, সাৰ বিক্ৰীৰ ক্ষেত্ৰত নতুন ব্যৱস্থা আৰম্ভ কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্য হৈছে সাৰৰ যোগান স্বচ্ছ কৰা, প্ৰকৃত কৃষকে সময়মতে সাৰ পোৱাটো নিশ্চিত কৰা আৰু অপব্যৱহাৰ ৰোধ কৰা।
সাৰ বিক্ৰী সম্পৰ্কত নতুন নিয়ম**ৰ** মতে কৃষক সকলে Mobile'ৰ জৰিয়তে FFS App ত প্ৰয়োজনীয় সাৰৰ আবেদন কৰিব পাৰিব । পৰ্যায়সমূহ তলত উল্লেখ কৰা ধৰণৰ-

**১. কৃষকৰ পৰিচয় সত্যাপন**

Farmer ID/ আধাৰৰ জৰিয়তে কৃষকৰ পৰিচয় নিশ্চিত কৰা।
কৃষকৰ মৌলিক তথ্য সংগ্ৰহ কৰা।

**২. শস্য আৰু সাৰৰ বাচনি**

কৃষকে খেতিৰ শস্য নিৰ্বাচন কৰিব।
প্ৰয়োজনীয় সাৰৰ ধৰণ আৰু পৰিমাণ নিৰ্ধাৰণ কৰিব।

**৩. বিক্ৰেতা নিৰ্বাচন**

নিকটৱৰ্তী অনুমোদিত সাৰ বিক্ৰেতা নিৰ্বাচন কৰিব।
উপলব্ধ ষ্টক অনুসৰি দোকান বাছনি কৰিব।

**৪. আবেদন দাখিল**

মোবাইল এপ বা অনুমোদিত কেন্দ্ৰৰ জৰিয়তে আবেদন কৰিব।
আবেদন সফল হ'লে আবেদন নম্বৰ সৃষ্টি হ'ব।

**৫.** QR Code/Token **লাভ**

আবেদন অনুমোদিত হ'লে QR Code বা Token Number প্ৰদান কৰা হ'ব।
এই QR Code সাৰ সংগ্ৰহৰ সময়ত ব্যৱহাৰ কৰিব লাগিব।

**৬. সাৰ সংগ্ৰহ**

নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্বাচিত বিক্ৰেতাৰ ওচৰত গৈ QR Code/Token দেখুৱাই সাৰ সংগ্ৰহ কৰিব।
নতুন সাৰ বিক্ৰিৰ প্ৰক্ৰিয়াটো ইতিমধ্যে অসমৰ ২ থন জিলাত আৰম্ভ কৰা হৈছে । বাকী জিলাসমূহক পৰ্য্যায় ক্ৰমে অন্তৰ্ভুক্ত কৰা হব ।

খ) বৰ্তমান ভূমি পাট্টা থকা ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কৃষক আই ডি দিয়াৰ ব্যৱস্থা কৰা হৈছে। আই ডি পোৱাৰ লগে লগে তেওঁলোকেও নতুন নিয়মত সাৰ পাব।

*************